# ছন্দ

পাৰিভাষিক শব্দ

ছন্দ সম্বন্ধে কবলৈ হলে বা তাক বুজিবলৈ হলে এই সম্বন্ধীয় কেইটামান পাৰিভাষিক-শব্দৰ অৰ্থ প্ৰথমতে জনাৰ প্ৰয়োজন। সেইকেইটা এই :

**অক্ষৰ বা ধ্বনি**— ( syllable )—শব্দৰ যি ক্ষুদ্ৰতম অংশ একক ( unit ) ৰূপে একবাৰতে উচ্চাৰিত হয়, তাকেই বোলা হয় অক্ষৰ বা ধ্বনি ( syllable )। অলঙ্কাৰ-শাস্ত্ৰত কিন্তু "ধ্বনি"ৰ অৰ্থ ব্যঞ্জনা ( suggestiveness ) আৰু অভিধানত 'অক্ষৰ'ৰ অন্যতম অৰ্থ আখৰ ( letter )। ছন্দৰ প্ৰসঙ্গত অক্ষৰ শব্দই কিন্তু বৰ্ণ বা আখৰক নুবুজায়। উদাহৰণ স্বৰূপে "ছন্দ" শব্দত বৰ্ণ এই কেইটা=ছ+অ+ন+দ+অ কিন্তু ইয়াত অক্ষৰ বা ধ্বনি এই দুটাহে=ছন্+দ।

**মাত্ৰা**—এটা অক্ষৰ বা ধ্বনিৰ উচ্চাৰণৰ ন্যূনতম সময়ৰ পৰিমাপকেই মাত্ৰা ( measure, mora ) বোলা হয়। সংস্কৃতত হ্ৰস্বস্বৰ, দীৰ্ঘস্বৰ আৰু প্লুতস্বৰ যথাক্ৰমে এক মাত্ৰা, দুইমাত্ৰা আৰু তিনিমাত্ৰাত উচ্চাৰিত হয়। সংস্কৃতত অ, ই, উ, ঋ, আৰু ঌ হ্ৰস্বস্বৰ। আ, ঈ, ঊ, ৠ, এ, ঐ, ও আৰু ঔ দীৰ্ঘস্বৰ। সংস্কৃতত আকৌ, অনুস্বাৰ-বিসৰ্গযুক্ত বৰ্ণ, যুক্তাক্ষৰৰ পূৰ্ববৰ্ণ আৰু দীৰ্ঘস্বৰযুক্ত বৰ্ণবোৰো দীৰ্ঘ হয়। অসমীয়াত সাধাৰণতে ঐ আৰু ঔ, এই দুটাত বাহিৰে বাকী কোনোটোৱে দুই মাত্ৰাত উচ্চাৰিত নহয়। যুক্তাক্ষৰৰ পূৰ্ব্ব বৰ্ণও অৱশ্যে কেতিয়াবাহে দীৰ্ঘভাবে উচ্চাৰিত হয়।

**যতি**—যতিৰ অৰ্থ বিৰাম। ভাব-তৰঙ্গৰ মাজেদি যেনি-তেনি যাবলৈ নিদি ছন্দক ই সংযমিত আৰু লগতে সুললিত কৰি তোলে। যেনে—

পাছে ত্ৰিনয়ন দিব্য উপৱন
দেখিলন্ত বিদ্যমান !

ইয়াত প্ৰথম ছয় অক্ষৰ আৰু দ্বিতীয় ছয় অক্ষৰৰ পাছে পাছে অলপ বিৰাম আৰু পাছৰ আঠ অক্ষৰৰ অন্তত তাতকৈ অলপ বেছি বিৰাম ব্যৱস্থিত। ফলত, এই কথাখিনি নিৰ্দ্দিষ্ট ছন্দ-ৰূপ লোৱাৰ উপৰিও সুললিত আৰু অৰ্থপূৰ্ণ হৈছে।

**পৰ্ব্ব**—প্ৰতিটো যতিয়ে ভাগ কৰি দিয়া অংশবিশেষক পৰ্ব্ব বোলে। "পাছে ত্ৰিনয়ন," "দিব্য উপৱন" আদি অংশবোৰ একোটা পৰ্ব্ব।

**চৰণ বা পাদ**—একাধিক পৰ্ব্বৰ সমষ্টিক পাদ বা চৰণ বোলা হয়। ইয়াৰ মাজেদি এটা সম্পূৰ্ণ ভাব প্ৰকাশ নহয়। যেনে -

পাছে ত্ৰিনয়ন দিব্য উপৱন
দেখিলন্ত বিদ্যমান।
ফল ফুল ধৰি জকমক কৰি
আছে যত বৃক্ষমান ॥

এই স্তৱকত, প্ৰথম আৰু তৃতীয় শাৰীত দুটাকৈ আৰু দ্বিতীয় আৰু চতুৰ্থ শাৰীত এটাকৈ, মুঠতে ছয়টা পৰ্ব্ব আছে। কিন্তু ইয়াত পাদ বা চৰণ আছে দুটাহে (প্ৰথম শাৰীৰ দুই পৰ্ব্ব আৰু দ্বিতীয় শাৰীৰ এক পৰ্ব্ব মিলি ১ পাদ, আকৌ তৃতীয় শাৰীৰ দুই পৰ্ব্ব আৰু চতুৰ্থ শাৰীৰ এক পৰ্ব্ব মিলি ১ পাদ)। "পদ"-ছন্দৰ একোটা শাৰীয়েই একোটা পাদ বা চৰণ। ইয়াত একোটা চৰণত দুটাকৈ পৰ্ব্ব থাকে।

**স্তৱক**—(Stanza) একাধিক চৰণযুক্ত আৰু সাধাৰণতে একোটা পূৰ্ণভাব প্ৰকাশ কৰা ছন্দোবদ্ধ ৰচনাক স্তৱক বোলা হয়।

যেনে—লঙ্কাপুৰী দেখিলন্ত, ত্ৰিকূট উপৰে।
দুতি অম্ৰাৱতী যেন, সমুদ্ৰ ভিতৰে ॥ (ৰামা॰ মাধৱকন্দলী)

দুটা চৰণযুক্ত ই এটা স্তৱক (পদ)।

**অন্ত্যমিল** (rhyme)—স্তৱকৰ চৰণান্তিক-ধ্বনি একে হোৱাকে অন্ত্যমিল বোলা হয়। উদাহৰণস্বৰূপে, ওপৰত দিয়া স্তৱকৰ দুয়োটা চৰণৰ অন্তৰ "ৰে" ৰ মিল।